**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ষ্টাৰ্ট আপ ইণ্ডিয়া অভিযানে সমগ্ৰ দেশতে নতুন সংস্কৃতিৰ প্ৰৱৰ্তন কৰি মাত্ৰ ১০ বছৰতে বিপ্লৱত পৰিণত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে পশ্চিম বংগ আৰু অসমলৈ আহিব।

৩। ভাৰতে ইৰাণৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে ২০২৪-২৫ বৰ্ষত খেতিয়কসকলৰ আৱশ্যকতা সময়মতে পূৰণৰ বাবে অভিলেখ পৰিমাণৰ সাৰৰ উপলভ্যতা সুনিশ্চিত কৰিছে।

**আৰু**

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত হ'বলগীয়া এখন খেলত গুজৰাট জায়েণ্টছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ষ্টাৰ্ট আপ ইণ্ডিয়া অভিযানে সমগ্ৰ দেশতে নতুন সংস্কৃতিৰ প্ৰৱৰ্তন কৰি মাত্ৰ ১০ বছৰতে বিপ্লৱত পৰিণত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ষ্টাৰ্ট আপ ইণ্ডিয়া অভিযানৰ এটা দশক সম্পূৰ্ণ হোৱা উপলক্ষে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ৰাষ্ট্ৰীয় ষ্টাৰ্ট আপ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয় যে সম্প্ৰতি ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্ট আপ অনুকূল ব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে। দেশৰ যুৱ প্ৰজন্মই বাস্তৱিক সমস্যাৰ সমাধানসূত্ৰ উলিওৱাত ব্ৰতী হোৱা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে নতুন সপোন দেখিবলৈ সাহস দেখুওৱা যুৱ উদ্ভাৱকসকলক ভূয়সী প্ৰশংসা কৰে। ৰাষ্ট্ৰীয় ষ্টাৰ্ট আপ দিৱস উপলক্ষে হোৱা ষ্টাৰ্ট আপ প্ৰতিষ্ঠাপক আৰু উদ্ভাৱকসকলৰ সমাবেশে নতুন আৰু দ্ৰুত বিকাশশীল ভাৰতৰ ভৱিষ্যতকে প্ৰতিফলিত কৰিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে এটা দশক পূৰ্বে ভাৰতত ৫০০তকৈও কম ষ্টাৰ্ট আপ প্ৰতিষ্ঠান আছিল আৰু সম্প্ৰতি দেশত ষ্টাৰ্ট আপৰ সংখ্যাই ২ লাখ অতিক্ৰম কৰিছে। তেওঁ কয় যে ২০১৪ চনত দেশত মাত্ৰ চাৰিটা ইউনিকৰ্ণ অৰ্থাৎ ১০০ কোটি ডলাৰ মূল্যৰ ষ্টাৰ্ট আপ প্ৰতিষ্ঠান আছিল আৰু সম্প্ৰতি ১২৫টা অধিক ইউনিকৰ্ণ সক্ৰিয় হৈ আছে। এই ষ্টাৰ্ট আপ খণ্ডৰ অভূতপূৰ্ব বিকাশে বিশ্বৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে মহিলাৰ নেতৃত্বৰ ষ্টাৰ্ট আপ প্ৰতিষ্ঠানলৈ পুঁজি যোগানৰ দিশৰ পৰা ভাৰত দ্বিতীয় সৰ্ববৃহৎ অনুকূল ব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে আৰু ষ্টাৰ্ট আপ খণ্ডৰ এই বিকাশ দেশৰ সম্ভাৱনাকে সূচাইছে। তেওঁ কয় যে ষ্টাৰ্ট আপ ইণ্ডিয়া অকল এখন আঁচনিয়েই নহয়, বৰং ইন্দ্ৰধনুৰ দৰে সাতোৰঙী দৃষ্টিভংগী আৰু এই দৃষ্টিভংগীয়ে বিভিন্ন ক্ষেত্ৰত নতুন সুযোগৰ সৈতে সংযুক্ত হ'বলৈ সমৰ্থ হৈছে।

প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় ষ্টাৰ্ট দিৱস উপলক্ষে আয়োজিত প্ৰদৰ্শনস্থলীও পৰিদৰ্শন কৰে আৰু প্ৰদৰ্শনকাৰীসকলৰ সৈতে মত-বিনিময় কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে যোৱা দশকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ষ্টাৰ্ট আপ ব্যৱস্থাত আমূল পৰিৱৰ্তনৰ সূচনা হৈছে। তেওঁ কয় যে ২০১৬ চনত দেশত মাত্ৰ ৪০০টা ষ্টাৰ্ট আপ প্ৰতিষ্ঠান আছিল আৰু সম্প্ৰতি এই প্ৰতিষ্ঠানৰ সংখ্যাই ২ লাখ অতিক্ৰম কৰিছে।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে উদ্ভাৱন, উদ্যমশীলতাৰ প্ৰসাৰ আৰু বিনিয়োগ আধাৰিত বিকাশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৬চনৰ ১৬ জানুৱাৰীত ষ্টাৰ্ট আপ ইণ্ডিয়া উদ্যম মুকলি কৰিছিল। ভাৰতবৰ্ষক চাকৰি প্ৰত্যাশীৰ পৰিৱৰ্তে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিকাৰী ৰাষ্ট্ৰৰূপে গঢ়ি তোলাই এই উদ্যমৰ মূল উদ্দেশ্য।

বিগত দশকত ষ্টাৰ্টআপ ইণ্ডিয়া ভাৰতৰ অৰ্থনৈতিক আৰু উদ্ভাৱনমূলক পৰিকাঠামোৰ মূল ভেটি ৰূপে পৰিগণিত হৈছে। এই উদ্যমে প্ৰতিষ্ঠানগত ব্যৱস্থা সবল কৰি তুলিছে আৰু পুঁজি তথা দিকনিৰ্দেশনা লাভৰ প্ৰক্ৰিয়া সুগম কৰি তুলিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে পশ্চিম বংগ আৰু অসমলৈ আহিব। ভ্ৰমণৰ প্ৰথম দিনা প্ৰধানমন্ত্ৰীয়ে কাইলৈ মালডা ৰে'ল ষ্টেচনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰিব। আধুনিক ভাৰতৰ বৰ্ধিত পৰিবহন চাহিদা অনুযায়ী সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে'লগাড়ীখনে বহনসাধ্য দৰত যাত্ৰীসকলক বিমান যাত্ৰাৰ দৰে সুবিধা আৰু অভিজ্ঞতা প্ৰদান কৰিব। এই ৰে'লগাড়ীখনে দূৰণিবটীয়া যাত্ৰা অধিক ক্ষিপ্ৰ, নিৰাপদ আৰু সুবিধাজনক কৰি তুলিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে পশ্চিম বংগৰ মালডাৰ এটা অনুষ্ঠানত ৩ হাজাৰ ২৫০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান ৰে'ল আৰু পথ, আন্তঃগাঁথনি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত পশ্চিম বংগত চাৰিটা গুৰুত্বপূৰ্ণ ৰে'ল প্ৰকল্প আছে। এই প্ৰকল্প চাৰিটাৰ ভিতৰত বলুৰঘাট আৰু দিল্লীৰ মাজৰ নতুন ৰে'লপথ, নিউ জলপাইগুৰিৰ পৰৱৰ্তী প্ৰজন্মৰ মালবাহী ৰে'লগাড়ীৰ তদাৰক সুবিধা, শিলিগুৰিৰ লোকশ্বেদৰ উন্নয়ন আৰু জলপাইগুৰি জিলাৰ বন্দে ভাৰত ৰে'ল তদাৰক সুবিধাৰ আধুনিকীকৰণ প্ৰকল্প আছে। এই প্ৰকল্পসমূহে উত্তৰ বংগত যাত্ৰী আৰু মালবাহী ৰে'ল সেৱা সবল কৰি তুলিব আৰু অঞ্চলটোত কৰ্মসংস্থানৰ নতুন সুবিধা সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰীয়ে মালডাৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে চাৰিখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। বিয়লিৰ ভাগলৈ প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বিভিন্ন ঠাইৰ পৰা ইতিমধ্যে এই নৃত্য পৰিৱেশন কৰিবলগীয়া শিল্পীসকল গুৱাহাটীত আহি উপস্থিত হৈছে।

ভ্ৰমণৰ দ্বিতীয় দিনা প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে লগতে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা ৰোহটকলৈ চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী মোদী অসম ভ্ৰমণ সামৰি সেইদিনাই পশ্চিম বংগৰ হুগলী জিলাৰ ছিংগুৰত উপস্থিত হ'ব। তাত তেওঁ ৮ হাজাৰ ৩০ কোটিৰো অধিক টকা মূল্যৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে কলকাতাৰ পৰা অন্য ৰাজ্যলৈ চলাচল কৰিবলগীয়া তিনিখন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০০০০০

ভাৰতে ইৰাণৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে ভাৰত ইৰানত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ স্বাৰ্থৰ হকে প্ৰয়োজনীয় সকলো পদক্ষেপ ল'বলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে সম্প্ৰতি ইৰানত প্ৰায় ৯ হাজাৰ ভাৰতীয় নাগৰিক আছে আৰু ইয়াৰ অধিকাংশই বিদ্যাৰ্থী। শ্ৰীজয়ছৱালে কয় যে ইৰানৰ পৰিস্থিতিৰ কথা বিবেচনা কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে শেহতীয়াকৈ ভাৰতীয় নাগৰিকসকলক ইৰান ভ্ৰমণ এৰাই চলিবলৈ দেশখনত থকাসকলক উভতি আহিবলৈ পৰামৰ্শ জাৰি কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৪-২৫ বৰ্ষত খেতিয়কসকলৰ আৱশ্যকতা সময়মতে পূৰণৰ বাবে অভিলেখ পৰিমাণৰ সাৰৰ উপলভ্যতা সুনিশ্চিত কৰিছে। ৰসায়ন আৰু সাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে সাৰৰ আনুমানিক ৰাষ্ট্ৰীয় আৱশ্যকতা প্ৰায় ১৫২ কোটি ৫০ লাখ বেগৰ বিপৰীতে চৰকাৰে ১৭৬ কোটি ৭৯ লাখ বেগৰ উপলভ্যতা সুনিশ্চিত কৰিছে। সাৰৰ অতিৰিক্ত উপলভ্যতাই খেতিয়কসকললৈ সহায় সহযোগিতা আগবঢ়োৱা আৰু সমগ্ৰ দেশত নিৰন্তৰ কৃষি কাৰ্য বৰ্তাই ৰখাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰা বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। মন্ত্ৰালয়ে লগতে ৰে'ল কৰ্তৃপক্ষ, বন্দৰ কৰ্তৃপক্ষ, ৰাজ্য চৰকাৰ আৰু সাৰ কোম্পানীসমূহৰ ঘনিষ্ঠ সমন্বয়ৰ বাবে এয়া সম্ভৱ হোৱা বুলি প্ৰকাশ কৰিছে।

০০০০০০০

নিৰ্ধাৰিত নীতি আৰু বিত্তীয় সাহায্যৰ বাবে ভাৰতৰ দীপ-টেক ষ্টাৰ্ট আপ তন্ত্ৰ দ্ৰুতভাৱে সম্প্ৰসাৰিত হৈছে বুলি ইলেকট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে বৰ্তমান দেশৰ ৮০ শতাংশ ষ্টাৰ্ট আপ প্ৰতিষ্ঠানেই কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত। তেওঁ লগতে কয় যে ভাৰত অৰ্ধপৰিবাহী মিছনৰ অধীনত ডিজাইন আধাৰিত উদগণি আঁচনিৰ জৰিয়তে বৰ্তমানলৈকে ২৩টা ষ্টাৰ্ট আপ প্ৰতিষ্ঠানলৈ সাহায্য আগবঢ়োৱা হৈছে। ২০২৫ চনৰ ছেমিকন ইণ্ডিয়ান শীৰ্ষ সন্মিলনত ১০০ কোটি ডলাৰৰ ভাৰত দীপ-টেক জোঁটৰ কথা ঘোষণা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে ১ লাখ কোটি টকাৰে গঠন কৰা গৱেষণা উন্নয়ন আৰু উদ্ভাৱন পুঁজিয়ে উদ্ভাৱনমূলক সামৰ্থ্য বৃদ্ধিত যথেষ্ট সহায় কৰিছে।

০০০০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত নবী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পোৰ্টছ একাডেমীত হ'বলগীয়া এখন খেলত গুজৰাট জায়েণ্টছ বৰ্তমান প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত থকা ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত ইউ পি ৱাৰিয়ৰ্ছে মুম্বাই ইণ্ডিয়ানছক অনায়াসে ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

০০০০০০০

সমাপ্ত